**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 21-02-2026 **Time :** 1205 Hrs.

<u>Headlines</u>

১। গুৱাহাটীত চি আৰ পি এফৰ ৮৭ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ অংশগ্ৰহণ

২। আজি আন্তৰ্জাতিক মাতৃভাষা দিৱস।

৩। বিশ্বনাথ চাৰিআলিত ডিব্ৰুগড়-নতুন দিল্লী ৰাজধানী এক্সপ্ৰেছৰ ষ্টপেজ মুকলি ।

আৰু

৪। আই চি চি টী-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইটৰ খেলসমূহ আজি আৰম্ভ।

ooooo

গুৱাহাটীৰ সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত আজি কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী-চি আৰ পি এফৰ ৮৭ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। উত্তৰ পূৰ্বাঞ্চলত প্ৰথমবাৰৰ বাবে আয়োজিত এই অনুষ্ঠানত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ উপস্থিত আছে। অনুষ্ঠানত গৃহমন্ত্ৰীগৰাকীয়ে বাহিনীটোৰ কুচ-কাৱাজৰ অভিবাদন গ্ৰহণ কৰে আৰু বাহিনীটোৰ কেইবাগৰাকীও জোৱানক সাহসিকতাৰ বঁটা প্ৰদান কৰে। অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত আছে। শ্ৰীশ্বাহে কিছুসময়ৰ পাছত সোণাপুৰৰ কচুতলীত দশম অসম আৰক্ষী বাহিনীৰ নতুন ছাউনীৰ আধাৰশিলা স্থাপন কৰিব। ২৬০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই ছাউনীত ফায়াৰিং ৰেঞ্জ, প্ৰশিক্ষণ গাউণ্ড, নিৰীক্ষণ কেন্দ্ৰ আদিৰ উপৰি পুৰুষ আৰু মহিলা আৰক্ষীৰ বাবে পৃথক বেৰকৰ সুবিধাকে ধৰি বহু ব্যৱস্থা থাকিব।

গৃহমন্ত্ৰীগৰাকীয়ে এই ভ্ৰমণকালত বিজেপিৰ নিৰ্বাচনকেন্দ্ৰিক মিত্ৰতা সন্দৰ্ভত চূড়ান্ত আলোচনাত মিলিত হোৱাৰ সম্ভাৱনা আছে।

ooooooo

আজি আন্তৰ্জাতিক মাতৃভাষা দিৱস। ভাষিক আৰু সাংস্কৃতিক বৈশিষ্ট্যৰ লগতে মাতৃভাষাৰ মহত্ব প্ৰচাৰ আৰু সম্প্ৰসাৰণৰ বাবে প্ৰতিবছৰে ২১ ফেব্ৰুৱাৰী দিনটোত আন্তৰ্জাতিক মাতৃভাষা দিৱস পালন কৰি অহা হৈছে। ১৯৯৯ চনৰ ১৭ নৱেম্বৰত ইউনেস্কই প্ৰথমবাৰৰ বাবে এই দিৱসৰ ঘোষণা কৰিছিল। পৰৱৰ্তী সময়ত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ এখন ঘোষণা পত্ৰৰ জৰিয়তে আনুষ্ঠানিকভাৱে এই দিৱসৰ স্বীকৃতি প্ৰদান কৰে। এইবেলি এই দিৱসৰ মূল মন্ত্ৰ হৈছে - YOUTH VOICES ON MULTI-LINGUAL EDUCATION। মাতৃভাষাৰ মহত্বৰ লগতে ইয়াৰ প্ৰসাৰ আৰু গুৰুত্ব সন্দৰ্ভত জ্যেষ্ঠ শিক্ষক, অভিনেতা তথা নাট্যকাৰ অসীম কৃষ্ণ বৰুৱাই এইদৰে কয়।

(বাইটঃ অসীম বৰুৱা)

শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুৱে আন্তৰ্জাতিক মাতৃভাষা দিৱস উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জনাইছে। এটা বাৰ্তাত শিক্ষামন্ত্ৰী গৰাকীয়ে কয় যে, মাতৃভাষাই হৈছে আমাৰ পৰিচয়, আত্মসন্মান আৰু সভ্যতা সংস্কৃতিৰ মূল আধাৰ। মাতৃভাষাৰ গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতিটো ভাষাৰ সংৰক্ষণ, বিকাশ আৰু প্ৰচাৰৰ ক্ষেত্ৰত দায়বদ্ধতা প্ৰকাশেৰে নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিত প্ৰাথমিক পৰ্য্যায়ত মাতৃভাষাত শিক্ষাদানৰ পোষকতা কৰা হৈছে বুলি উল্লেখ কৰে।

০০০০০০০

অহা ১৪ মাৰ্চত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণৰ পাছতহে সমাগত নিৰ্বাচনৰ বাবে বিজেপিৰ প্ৰাৰ্থী তালিকা প্ৰকাশ পাব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জনাইছে। কাচাৰ জিলাত কালি আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত ধনৰাশি বিতৰণৰ  পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মুখ্যমন্ত্ৰীগৰাকীয়ে  বৰ্তমানৰ বিধায়কসকলৰ কামৰ ওপৰত ভিত্তি কৰিহে টিকট দিয়া হ'ব বুলি উল্লেখ কৰে। ইপিনে, নিৰ্বাচন চমু চাপি অহাৰ লগে লগে ৰাজ্যত বিৰোধী ঐক্য গঠনক উৎকণ্ঠা আৰু অনিশ্চিয়তাৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছে। শাসকীয় বিজেপিৰ বিৰুদ্ধে প্ৰত্যাহ্বান জনাব পৰা প্ৰাৰ্থী বাছনিৰ বাবে দুদিনীয়া কাৰ্যসূচীৰে অসমলৈ অহা  নিখিল ভাৰত কংগ্ৰেছৰ সাধাৰণ সম্পাদক তথা স্ক্ৰীনিং কমিটীৰ অধ্যক্ষ প্ৰিয়ংকা গান্ধীয়ে কালি ৰাজীৱ ভৱনত প্ৰদেশ কংগ্ৰেছৰ তিনিগৰাকী কাৰ্যকৰী সভাপতিৰ সৈতে বাৰ্তালাপ কৰে। পৰৱৰ্তী সময়ত শ্ৰীমতী গান্ধীয়ে অসম কংগ্ৰেছ কমিটীৰ বিভিন্ন কমিটী আৰু আৰু শাখাৰ নেতৃত্বৰ লগতো মত-বিনিময় কৰে। শ্ৰীমতী গান্ধীয়ে সকলোৰে মতামত গুৰুত্ব সহকাৰে গ্ৰহণ কৰি সকলোকে দলীয় সংগঠন শক্তিশালী কৰা আৰু ইয়াৰ বাবে গ্ৰহণ কৰিবলগীয়া পৰৱৰ্তী কাৰ্যপন্থা সন্দৰ্ভত আলোকপাত কৰে।

০০০০০০০

বিশ্বনাথ জিলাৰ ৰে'ল যোগাযোগ ব্যৱস্থাত নতুন মাত্ৰা প্ৰদান কৰি কালি ডিব্ৰুগড়ৰ পৰা নতুন দিল্লীলৈ যোৱা ৰাজধানী এক্সপ্ৰেছৰ ৰে'লৰ ষ্টপেজ মুকলি কৰা হয়। শোণিতপুৰৰ সাংসদ ৰঞ্জিত দত্তই এই ষ্টপেজ ব্যৱস্থা মুকলি কৰে। তেওঁ কয়, যে বিশ্বনাথ চাৰিআলিত ৰাজধানী এক্সপ্ৰেছ ৰে'লগাড়ীৰ ষ্টপেজে জিলাখনৰ লগতে ইয়াৰ দাঁতি কাষৰীয়া অঞ্চলৰ যাত্ৰীসকলৰ দীৰ্ঘদিনীয়া অভাৱ পূৰণ কৰিব। বিশেষকৈ ইয়াৰ ফলত ছাত্ৰ-ছাত্ৰী, ৰোগী আৰু ব্যৱসায়ীসকল বিশেষভাৱে উপকৃত হ'ব বুলি সাংসদগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লগতে এই ব্যৱস্থাৰ বাবে প্ৰধানমন্ত্ৰী তথা ৰে'লমন্ত্ৰীক ধন্যবাদ জনায়।

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অহা ২৫ ফেব্ৰুৱাৰীত অসম মহিলা বিশ্ববিদ্যালয়ৰ নতুন শৈক্ষিক ভৱনটো উদ্বোধন কৰিব।  ২০১৩ চনৰ অসম মহিলা বিশ্ববিদ্যালয়ৰ আইন অনুসৰি যোৰহাটৰ ৰৰৈয়াত স্থাপন হোৱা বিশ্ববিদ্যালয়খনৰ নতুন চৌহদ টীয়কৰ কলিয়াপানীত নিৰ্মাণ কৰা হৈছে। মৰিয়ণিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী আৰু যোৰহাটৰ অতিৰিক্ত উপায়ুক্তই কালি বিশ্ববিদ্যালয়খনৰ নতুন চৌহদ পৰিদৰ্শন কৰি সকলো ব্যৱস্থাৰ বুজ লয়।এই নতুন চৌহদ ভৱনৰ শ্ৰেণী কোঠা সমূহত আধুনিক শিকন সজুঁলিৰ সহায়ত    শিক্ষা দানৰ সুবিধা

আছে। তদুপৰি অনুসূচীত জনজাতিৰ ছাত্ৰী সকলৰ বাবে এটা ছাত্ৰী নিবাসো নিৰ্মাণ কৰা হৈছে। বিশ্ববিদ্যালয়খনত বৰ্তমান ১৭টা বিভাগ আছে আৰু এই বিভাগসমূহত ৪৪ টা ডিগ্ৰী পাঠ্যক্ৰম আছে।

০০০০০০০

ৰাজ্য চৰকাৰৰ গোৰ্খা উন্নয়ন পৰিষদৰ ২০২৩-২৪ বৰ্ষৰ বিত্তীয় পুঁজিৰে নিৰ্মিত গোৰ্খা সাংস্কৃতিক ভৱন আজি আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। শোণিতপুৰ জিলাৰ বুঢ়াচাপৰিৰ দুৰ্গা মন্দিৰ প্ৰাংগণত আয়োজিত এটা অনুষ্ঠানত তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভাই এই ভৱনটো উদ্বোধন কৰে। এই সাংস্কৃতিক ভৱনে অঞ্চলটোৰ গোৰ্খা সমাজৰ কৃষ্টি সংস্কৃতিৰ চৰ্চা, প্ৰসাৰ আৰু সংৰক্ষণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে।

০০০০০০০০০

নগাওঁ চহৰত অহা ২৫ ফেব্ৰুৱাৰীৰ পৰা চিটি বাছ্ সেৱা আৰম্ভ হ'ব। প্ৰথম পৰ্য্যায়ত কঠীয়াতলিৰ পৰা বৰঘাট-মৰিকলঙেৰে ক্লক টাৱাৰ হৈ মেট্ৰ হাস্পতাললৈ, ডিমৌ অভাৰবীজ্ৰৰ পৰা নগাওঁ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ সন্মুখেৰে ৰূপহীহাট বজাৰলৈ আৰু বেবেজীয়াৰ পৰা নগাওঁ ষ্টেডিয়াম বজাৰৰ সন্মুখেৰে পুৰণি গুডামলৈ চিটি বাচ চলিব। দৈনিক পুৱা ৮ বজাৰ পৰা সন্ধিয়া ৭ বজালৈ চিটি বাছ্ সেৱা উপলব্ধ হ'ব। এই্ উপলক্ষে ২৫ ফেব্ৰুৱাৰীত নেহেৰুবালি খেলপথাৰত জিলা প্ৰশাসন, জিলা পথ সুৰক্ষা সমিতি আৰু জিলা পৰিবহন বিভাগে উদ্বোধনী অনুষ্ঠানৰ আয়োজন কৰিছে।

০০০০০০০

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ দ্বাৰা কাইলৈৰ পৰা ২০২৫-২৬ বৰ্ষৰ চৰচ মেলাৰ আয়োজন কৰা হৈছে। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত হ'বলগীয়া এই মেলা ৮ মাৰ্চত সমাপ্ত হ'ব। গ্ৰাম্য উদ্যোগী, আত্মসহায়ক গোট আৰু থলুৱা কাৰিকৰসকলৰ নিৰ্মিত সামগ্ৰীৰে চৰচ মেলাত ৰাজ্যখনত তৃণমূল পৰ্যায়ৰ অৰ্থনীতি সবলীকৰণৰ পথসমূহ প্ৰদৰ্শন কৰা হ'ব।

০০০০০০০

বিশ্বনাথ জিলাৰ অন্তৰ্গত বিহালী বিধানসভা সমষ্টিৰ কেইবাটাও অঞ্চলত কালি সাংসদ ৰঞ্জিত দত্তই বিভিন্ন আঁচনিৰ অধীনত নিৰ্মাণ হ'বলগীয়া পথসমূহৰ আধাৰশিলা স্থাপন কৰে। ইয়াৰে মোনাবাৰী গাওঁপথৰ পৰা চবিলাল তেলেংগা পথ, উড়িয়া বস্তি পথ হৈ নেফা তিনিআলি কালাহান্দি প্ৰাথমিক বিদ্যালয়লৈ যোৱা পথ, ৰঙাজান-ন'মৰা পথ, তেঙাবাৰী-বৰজাৰনী মিকিৰ প্ৰাথমিক বিদ্যালয় পথ, লালপানী-পাভৈ-বৰগাং পথ, পূব জিঞ্জিয়া এৰাংগা পুখুৰী-পূব জিঞ্জিয়া গাওঁ পথ আৰু ৰাষ্ট্ৰীয় ঘাইপথৰ মাদুৰআলী এৰাংগা পথৰ আধৰশিলা স্থাপন কৰা হয়। এই আধাৰশিলা স্থাপন অনুষ্ঠানত সাংসদ দত্তৰ সৈতে বিধায়ক দিগন্ত ঘাটোৱাল আৰু ভালে সংখ্যক লোক উপস্থিত থাকে।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ আজি নিশা ৮ বাজি ২ মিনিটৰ **দৃষ্টিপাত** অনুষ্ঠানত ৰাজ্যৰ যশস্বী ভাস্কৰ্য শিল্পী, কলা নিৰ্দেশক সংগীত নাটক একাডেমী তথা পদ্মশ্ৰী সন্মানেৰে সন্মানিত নুৰুদ্দিন আহমেদৰ সৈতে হোৱা

সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিব অৰুণিমা গোস্বামীয়ে। অনুষ্ঠানটোৰ প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

0000000

আই চি চি টী-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইটৰ খেলসমূহ আজি আৰম্ভ হ'ব। ছুপাৰ এইটৰ প্ৰথমখন খেলত আজি কলম্বোৰ আৰ প্ৰেমাদাসা ষ্টেডিয়ামত পাকিস্তান আৰু নিউজিলেণ্ড মুখামুখি হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব।

ভাৰত কাইলৈ আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত ছুপাৰ এইটৰ এখন খেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ছুপাৰ এইটৰ গ্ৰুপ-ৱানত ভাৰত, জিম্বাবুৱে, ৱেষ্ট ইণ্ডিজ আৰু দক্ষিণ আফ্ৰিকা থকাৰ বিপৰীতে গ্ৰুপ-টুত পাকিস্তান, শ্ৰীলংকা, ইংলেণ্ড আৰু নিউজিলেণ্ড আছে।

যোৱা নিশা শ্ৰীলংকাৰ পাল্লেকেলে ষ্টেডিয়ামত অনুষ্ঠিত লীগ পৰ্যায়ৰ অন্তিমখন খেলত অষ্ট্ৰেলিয়াই ওমানক ৯ উইকেটত পৰাস্ত কৰে। দুয়োটা দল ইতিমধ্যে প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে।

টি টুৱেণ্টি বিশ্বকাপৰ ছেমি ফাইনেল খেলসমূহ অহা ৪ আৰু ৫ মাৰ্চত অনুষ্ঠিত হ'ব। অহা ৮ মাৰ্চত ফাইনেল খেল অনুষ্ঠিত হ'ব।

0000000

**সমাপ্ত**